অসম

“ড০ ৰণোজ পেগু আচল মিচিং নহয়, নকলি মিচিং”: ৰিপুন বৰা

গহপুৰৰ এক নিৰ্বাচনী সভাত শিক্ষা মন্ত্রী ড০ ৰণোজ পেগুৰ মিচিং পৰিচয়ক লৈ প্রশ্ন উত্থাপন কৰে জ্যেষ্ঠ কংগ্রেছ নেতা ৰিপুন বৰাই।

প্রকাশ: ১৫ নৱেম্বৰ ২০২৬, আবেলি ৬:২৪



Congress leader Ripun Bora questioned Education Minister Ranoj Pegu's Mising identity (NewzNow)

গহপুৰ: মিচিং স্বায়ত্তশাসিত পৰিষদৰ আগন্তুক নিৰ্বাচনক কেন্দ্র কৰি গহপুৰত ৰাজনৈতিক উত্তাপ বৃদ্ধি পোৱাৰ সময়তে শিক্ষা মন্ত্রী ড০ ৰণোজ পেগুক লক্ষ্য কৰি বিতর্কিত মন্তব্য কৰিছে জ্যেষ্ঠ কংগ্রেছ নেতা ৰিপুন বৰাই।

দেওবাৰে গহপুৰ সমষ্টিৰ দক্ষিণাঞ্চলৰ লোহিতমুখ গাঁও পঞ্চায়তৰ চেনীজানত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত ভাষণ দি ৰিপুন বৰাই মন্ত্রীগৰাকীৰ মিচিং পৰিচয়ক লৈ প্রশ্ন উত্থাপন কৰে।

> “ড০ ৰণোজ পেগু আচল মিচিং নহয়, নকলি মিচিং।”

ৰিপুন বৰাৰ দাবী অনুসৰি, ড০ পেগুৰ পিতৃ চুতীয়া সম্প্রদায়ৰ আৰু মন্ত্রীগৰাকী সৰুৰে পৰা মিচিং পৰিয়ালত থাকি ডাঙৰ-দীঘল হোৱাৰ লগতে শিক্ষা গ্রহণ কৰিছিল। মিচিং পৰিচয়ৰ মুখা পিন্ধি মন্ত্রীগৰাকীয়ে মিচিং ৰাইজক শোষণ কৰি আহিছে বুলিও কংগ্রেছ নেতাগৰাকীয়ে অভিযোগ কৰে।

মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কার্যবাহী সদস্য পৰমানন্দ চায়েঙীয়া আৰু মন্ত্রী ড০ ৰণোজ পেগুৰ মাজত ঘনিষ্ঠ সম্পর্ক থকাৰ অভিযোগো উত্থাপন কৰে ৰিপুন বৰাই। দুয়োগৰাকীয়ে মিলি পৰিষদৰ ধন অপব্যৱহাৰ কৰাৰ অভিযোগ তুলি তেওঁ দুয়োৰে সম্পর্কক ‘ভিনিহি-খুলশালী’ বুলি কটাক্ষ কৰে।

আগন্তুক ৩০ নৱেম্বৰত অনুষ্ঠিত হ’বলগীয়া মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনত ভোটাৰসকলক সঠিক সিদ্ধান্ত গ্রহণ কৰিবলৈ আহ্বান জনাই ৰিপুন বৰাই ‘ভিনিহি-খুলশালীৰ ৰাজত্ব’ৰ অৱসান ঘটোৱাৰ আহ্বান জনায়।

সভাখনত অসম প্রদেশ কংগ্রেছ কমিটীৰ উপ-সভাপতি ডাঃ শংকৰজ্যোতি কুটুম, বিশ্বনাথ জিলা কংগ্রেছৰ সভাপতি প্রশান্ত হাজৰিকাৰ লগতে কংগ্রেছ-সমর্থিত প্রার্থী মহেশ পেগু আৰু ৰামু পাটগিৰি উপস্থিত আছিল।

ৰিপুন বৰাৰ এই মন্তব্যই মিচিং স্বায়ত্তশাসিত পৰিষদৰ নির্বাচনৰ পূর্বে গহপুৰৰ ৰাজনৈতিক পৰিৱেশত নতুন বিতর্কৰ সূচনা কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3386/ripun-bora-ranoj-pegu-comment